কিয়ামতৰ দিনা সৰ্বশক্তিমান আল্লাহে মুমিন বান্দাক নিজৰ ওচৰত মাতি নিব, আনকি কাষত টানি নি আৱৰণেৰে ঢাকি ল'ব। ইয়াৰ পিছত তাৰ পৰা গুনাহৰ স্বীকাৰোক্তি ল'ব।

চাফৱান বিন মুহৰিঝৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ইবনে ওমৰক এজন ব্যক্তিয়ে সুধিলে যে, কিয়ামতৰ দিনা মহান আল্লাহ আৰু তেওঁৰ মুমিন বান্দাৰ মাজত হ'বলগীয়া একান্ত কথা-বতৰা সম্পৰ্কে আপুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা কি শুনিছে? তেতিয়া তেওঁ ক'লে যে, মই শুনিছোঁ তেখেতে কৈছেঃ "কিয়ামতৰ দিনা সৰ্বশক্তিমান আল্লাহে মুমিন বান্দাক নিজৰ ওচৰত মাতি নিব, আনকি কাষত টানি নি আৱৰণেৰে ঢাকি ল'ব। ইয়াৰ পিছত তাৰ পৰা গুনাহৰ স্বীকাৰোক্তি ল'ব। মহান আল্লাহে সুধিবঃ তুমি তোমাৰ এই গুনাহ সম্পৰ্কে জানানে? সি ক'বঃ হয়, হে মোৰ প্ৰতিপালক মই জানো। তেতিয়া আল্লাহে ক'বঃ চোৱা, মই
পৃথিৱীত তোমাৰ এই গুনাহ গোপন ৰাখিছিলোঁ, আৰু আজি ক্ষমা কৰি দিলোঁ। ইয়াৰ পিছত তাক নেকীৰ আমলনামা প্ৰদান কৰা হ'ব। পক্ষান্তৰে কাফিৰ আৰু মুনাফিকসকলৰ অৱস্থা হ'ব
এনেকুৱা যে, সিহঁতক গোটেই লোকসকলৰ সন্মুখত উচ্চস্বৰে মাতি কোৱা হ'ব যে, চোৱা, ইহঁতেই হৈছে সেইসকল লোক যিসকলে আল্লাহৰ প্ৰতি মিছা আৰোপ কৰিছিল।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

কিয়ামতৰ দিনা মুমিন বান্দাৰ সৈতে হ'বলগীয়া আল্লাহৰ গোপন কথোপকথন সম্পৰ্কে হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, কিয়ামতৰ দিনা আল্লাহে মুমিন বান্দাক কাষত মাতি নিব আৰু উপস্থিত সকলো লোকৰ পৰা তাক পৰ্দা আবৃত কৰি ল'ব, আনকি সেই গোপনীয়তা কোনেও ভেদ কৰিব নোৱাৰিব। মহান আল্লাহে তাক সুধিবঃ তুমি তোমাৰ এই এই গুনাহ সম্পৰ্কে জানানে....., তেতিয়া বান্দাই নিজ প্ৰতিপালকৰ সন্মুখত সেইবোৰ স্বীকাৰ কৰিব। আৰু ক'বঃ হয়, মই জানো, হে মোৰ প্ৰতিপালক। এইবোৰ দেখি বান্দা আতংকিত হ'ব আৰু ভীত-সন্ত্ৰস্ত হ'ব। তেতিয়া পৱিত্ৰ মহান আল্লাহে ক'বঃ শুনা! পৃথিৱীত মই তোমাৰ এইবোৰ গুনাহ গোপন কৰি ৰাখিছিলোঁ, আৰু চোৱা, আজি এইবোৰ ক্ষমা কৰি দিলোঁ। ইয়াৰ পিছত তাক নেকীৰ ছহীফা (আমলনামা) প্ৰদান কৰা হ'ব। আনহাতে কাফিৰ আৰু মুনাফিকসকলৰ বিষয়ে সকলোৰে সন্মুখত উচ্চস্বৰে মাতি কোৱা হ'ব যে, ইহঁতেই হৈছে সেইসকল লোক, যিসকলে নিজ প্ৰতিপালকৰ ওপৰত মিছা আৰোপ কৰিছিল। জানি থোৱা! অন্যায়কাৰীসকলৰ ওপৰত আল্লাহৰ অভিসম্পাত।

http://www.sunnah.global/hadeeth/as/show/4242